লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# শেৱালি ফুলৰ দৰে(অণুগল্প)

✍ গীতা বৰ্মন

পদুলিমুখৰ শেৱালিজোপা ফুলিলে তাইৰ নিজকে মেঘ আতৰি যোৱা আকাশখনৰ দৰে লাগে। প্ৰিয়গীতৰ কলি এটিয়ে গুণগুণাই থাকে চৌপাশ। আজলী শেৱালীৰ সতে তাইৰ আজন্ম আত্মীয়তা। আজি কিছুদিনধৰি দুটা ভাল লগা কথাৰ মাজত তাইৰ এচেৰেঙা ৰ'দৰ অনুভৱ। কানিমুনি সন্ধিয়া শেৱালিজোপাৰ সতে নিবিড় আলাপ আৰু কিছু দুৰৈৰ নৈ পৰীয়া পথাৰখনৰ পৰা ভাহি অহা কোনোবা অনামী শিল্পীৰ বাঁহীৰ সুৰৰ মুৰ্চনা। নদী হৈ বৈ অহা সুৰবোৰে তাইৰ বুকুত গাঁত খান্দি বৈ যায়। খুলি যায় পুৰাকথাৰ কেবাটাও পৃষ্ঠা। শেৱালিজোপাৰ তলত অজান আৱেগত তন্ময় হৈ থকা সময়খিনিত কোনোবা এজন শেৱালিজোপাৰ ফালে আহি থকা দেখি তাই ততাতৈয়াকৈ আতৰি আহিল। দুদিনমানৰ পৰা তাই লক্ষ্য কৰিছে ঠিক শেৱালি ফুলবোৰ ফুলি উঠা সময়ত কোনোবা এজন শেৱালিজোপাৰ তলত এখন্তেক ৰৈ আকৌ আতৰি যায়।আচলতে কোনেও নথকা সময়খিনিতহে তাই শেৱালিজোপাৰ কাষ চাপে।মনে মনে তাইৰ খঙো উঠে। তাইৰ দৰে আন কোনেও শেৱালিজোপাক ইমান ভাল পাব নোৱাৰে।

সিদিনা শেৱালিজোপাৰ সতে কথা পাতি পাতি কিমান সময় পাৰ হৈ গৈছিল তাই নিজেই গ'ম পোৱা নাছিল।হঠাতে তাই উচপ খাই উঠিল।তাইৰ একাষত আন কোনোবা এজনৰ উপস্থিতি।তাইৰ ভাব হ'ল এইজনেই চাগে শেৱালিজোপাৰ প্ৰেমিক। খৰখেদাকৈ আতৰি আহিব খোজতেই ছায়াঘন আন্ধাৰতো

তাইৰ চকুত পৰিছিল তাৰ ককালৰ খোচনাত এটি বাঁহী। উজুটি খোৱা নদীৰ দৰে তাই বৈ গ'ল। এখোজ দুখোজকৈ আগবাঢ়ি আহি সি তাইলৈ আগবঢ়াই দিলে একাঁজলি শেৱালি। বাঁহীৰ সুৰ এটিৰ দৰে সি কবলৈ ধৰিলে...

"তুমিও নিশাৰ আভৰনে ঢাকি থোৱা ধুনীয়া এপাহ শেৱালিৰ দৰে।"

**যোগাযোগৰ ঠিকনা:**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
পাণ্ডু মহাবিদ্যালয়, গুৱাহাটী-১২